# NSD NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-07-2024

**Time :** 19-10 Hrs.

## *Assamese Evening Bulletin*
### *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৩-২৪ বৰ্ষত প্ৰতিৰক্ষা সামগ্ৰীৰ মূল্যত সৰ্বাধিক বৃদ্ধিৰ বাবে দেশখনক প্ৰশংসা কৰিছে।

২। বৃটেইনৰ সংসদীয় নিৰ্বাচনত লেবাৰ পাৰ্টীয়ে বিজয় সাব্যস্ত কৰিছে। দলটোৰ নেতা **কিৰ ষ্টাৰমাৰ** বৃটেইনৰ পৰবৰ্তী প্ৰধানমন্ত্ৰী হ'ব।

৩। চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষা অহা ১১ আগষ্টত দুটা সময়সূচীত অনুষ্ঠিত হ'ব। ***আৰু***

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ অলিম্পিকৰ বাবে যোৱা ভাৰতীয় দলটোৰ সৈতে আজি দুপৰীয়া মত বিনিময় কৰি দলটোৱে দেশলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আস্থা প্ৰকাশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৩-২৪ বৰ্ষত প্ৰতিৰক্ষা সামগ্ৰীৰ মূল্যত সৰ্বাধিক বৃদ্ধিৰ বাবে দেশখনক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে ইয়াক উৎসাহজনক উন্নয়ন বুলি অভিহিত কৰি এই কৃতিত্বত অৰিহণা যোগোৱা সকলোকে অভিনন্দন জনাইছে। তেওঁ কৈছে যে, ভাৰতক আগশাৰীৰ প্ৰতিৰক্ষা উৎপাদন কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবৰ বাবে উপযোগী পৰিবেশ গঢ়ি তুলিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ই দেশৰ নিৰাপত্তাৰ সৈতে জড়িত সকলো সজুলি বৃদ্ধি কৰিব আৰু ভাৰতক আত্মনিৰ্ভৰশীল কৰি তুলিব  বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, ভাৰতে ২০২৩-২৪ বৰ্ষত প্ৰতিৰক্ষা উৎপাদন মূল্য সৰ্বকালৰ সৰ্বাধিক বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। বিগত বিত্তীয় বৰ্ষৰ তুলনাত ১৬ দশমিক ৮ শতাংশ বৃদ্ধি হৈ এই মূল্য প্ৰায় ১ লাখ ২৬ হাজাৰ ৮৮৭ কোটি হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই বিষয়ে প্ৰকাশ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে **মেক ইন ইণ্ডিয়া** কাৰ্যসূচীয়ে এতিয়া প্ৰতি বছৰে নতুন নতুন মাইলৰ খুঁটি প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ৰ পৰা প্ৰকাশ কৰা অনুসৰি ২০২৩-২৪ বৰ্ষত প্ৰতিৰক্ষা ৰাজহুৱা উদ্যোগ খণ্ডৰ লগতে অন্যান্য ৰাজহুৱা উদ্যোগ খণ্ডৰ উৎপাদনৰ সৰ্বমুঠ মূল্য আছিল ৭৯ দশমিক ২ শতাংশ। ইপিনে ব্যক্তিগত খণ্ডৰ জৰিয়তে হোৱা উৎপাদনৰ মূল্য আছিল ২০ দশমিক ৮ শতাংশ। শ্ৰীসিঙে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু প্ৰতিৰক্ষা সামগ্ৰীৰ নিৰ্মাণ কৰা অনান্য

ৰাজহুৱা খণ্ডৰ উদ্যোগ তথা ব্যক্তিগত উদ্যোগসমূহকো ইয়াৰ বাবে অভিনন্দন জনায়। তেওঁ কয় যে চৰকাৰ ভাৰতক গোলকীয় প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণৰ মূল কেন্দ্ৰ হিচাপে বিকশাই তোলাৰ ক্ষেত্ৰত অনুকূল পৰিবেশ গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। মন্ত্ৰালয়ে লগতে কয় যে নীতি নিয়মসমূহৰ সংস্কাৰ আৰু ব্যৱসায়ৰ সুচলতাৰ লগতে থলুৱা প্ৰচেষ্টা তথা প্ৰতিৰক্ষা ৰপ্তানি আদিয়ে বিকাশৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

০০০০

বৃটেইনৰ সংসদীয় নিৰ্বাচনত লেবাৰ পাৰ্টীয়ে বিপুল বিজয় সাব্যস্ত কৰিছে। দলৰ নেতা **কিৰ ষ্টাৰমাৰ** কনজাৰভেটিভ দলৰ **ৰিছি ছুনক**ক পৰাস্ত কৰি বৃটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী হ'ব। এটা দশকতকৈও অধিক কাল বিৰোধী পক্ষত থকাৰ পাছত লেবাৰ পাৰ্টী ক্ষমতালৈ আহিছে। শেহতীয়া তথ্য অনুসৰি লেবাৰ পাৰ্টীয়ে ৬৫০ খন আসনৰ ভিতৰত ৪১০ খন আসনতেই জয়লাভ কৰিছে আৰু ভোটগণনা এতিয়াও অব্যাহত আছে। জয়লাভ কৰাৰ পাছত দিয়া ভাষণত ৬১ বছৰীয়া ষ্টাৰমাৰে কয় যে জনসাধাৰণে পৰিবৰ্তন বিচাৰি ভোটদান কৰিছে আৰু ইতিয়া পৰিবৰ্তন আৰম্ভ হ'ল। বৃটিছ প্ৰধানমন্ত্ৰী ৰিছি ছুনকে পৰাজয়ৰ দায়িত্ব স্বীকাৰ কৰি কয় যে বৃটিছ জনসাধাৰণে গম্ভীৰ ৰায়দান কৰিছে আৰু ইয়াৰ পৰা যথেষ্ট শিকিবলগীয়া আছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিটেইনৰ সাধাৰণ নিৰ্বাচনত প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা কীৰ ষ্টাৰমাৰক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে কয় যে ব্ৰিটেইনৰ সৈতে বন্ধুত্ব অধিক শক্তিশালী কৰাৰ বাবে ভাৰত সদায়েই আগ্ৰহী। দুয়োখন দেশৰ মাজত ইতিবাচক আৰু গঠনমূলক সহযোগিতাৰ বাবেও ভাৰত আগ্ৰহী বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে তেওঁৰ কাৰ্যকালত ভাৰত আৰু ব্ৰিটেইনৰ সম্পৰ্ক গভীৰ কৰাত সক্ৰিয় অৱদান আগবঢ়োৱা **ৰিছি ছুনকৰ** প্ৰতিও কৃতজ্ঞতা প্ৰকাশ কৰিছে।

০০০০

দিল্লী উচ্চ ন্যায়ালয়ে আজি কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাক জাননী জাৰি কৰে। সুৰা নীতি কেলেংকাৰীৰ সৈতে জড়িত দুৰ্নীতিৰ গোচৰ সন্দৰ্ভত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দাখিল কৰা জামিন আবেদনক কেন্দ্ৰ কৰি ন্যায়ালয়ে এই জাননী জাৰি কৰে। ন্যায়াধীশ নীনা বানচাল কৃষ্ণাৰ বিচাৰপীঠে কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাটোক ইয়াৰ প্ৰতিক্ৰিয়া দাখিল কৰিবলৈ কয় আৰু বিষয়টো ১৭ জুলাইত শুনানিৰ বাবে স্থগিত ৰাখে। বিচাৰপীঠখনে কৈছে যে, বিবাদটো পৰৱৰ্তী পৰ্যায়ত বিবেচনা কৰা হ'ব। ইয়াৰ মাজতে চিবিআইক ইয়াৰ উত্তৰ দাখিল কৰিবলৈ কোৱা হৈছে।

০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ বৃহৎ সংখ্যক নাগৰিকৰ অংশগ্ৰহণেৰে নীতি আয়োগৰ **সম্পূৰ্ণতা অভিযান** শীৰ্ষক বিশেষ আঁচনি কালি আৰম্ভ হৈছে। তেলেংগানাতো আজি ভদ্ৰাদ্ৰি কোঠাগুদেম আৰু জয়শংকৰ ভূপালাপল্লী জিলাৰ অতিৰিক্ত অভিলাসী খণ্ডত **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰা হৈছে। জিলা কৰ্তৃপক্ষই স্বাস্থ্য, শিক্ষা আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়াসকলক সম্পূৰ্ণতা অভিযানৰ অধীনত যাতে পৰিপূৰকতা লাভ কৰে তাৰ বাবে আহ্বান জনায়। ভদ্ৰাদ্ৰি

কোঠাগুদেমৰ জিলা উপায়ুক্ত জীতেশ ভি পাটিলে পৰিকল্পিত পদ্ধতিৰে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰি অনাগত ৩ মাহৰ ভিতৰত লক্ষ্য পূৰণ কৰিবলৈ বিষয়াসকলক আহ্বান জনায়। জয়শংকৰ ভূপালাপল্লীৰ জিলা উপায়ুক্ত ৰাহুল শৰ্মাই ৩০ বছৰৰ ওপৰৰ লোকসকলক মধুমেহৰ দৰে আন ৰোগসমূহৰ পৰীক্ষা কৰাৰ লগতে গৰ্ভৱতী মহিলাসকলকো পুষ্টিকৰ খাদ্য লাভ কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনায় আৰু নামসমূহ পঞ্জীয়ন কৰিবলৈ আহ্বান জনায়।

০০০০

চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষা অহা ১১ আগষ্টত দুটা সময়সূচীত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞান পৰীক্ষা পৰিষদে আজি পৰীক্ষাৰ সংশোধিত সময়সূচী জাৰি কৰিছে। উল্লেখযোগ্য যে, প্ৰৱেশিকা পৰীক্ষা যোৱা মাহত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও কিছুমান প্ৰতিযোগিতামূলক পৰীক্ষাত আসোঁৱাহৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত পৰীক্ষাৰ এদিন আগেয়ে পৰীক্ষা স্থগিত কৰা হৈছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ অলিম্পিকৰ বাবে যোৱা ভাৰতীয় দলটোৰ সৈতে আজি দুপৰীয়া মত বিনিময় কৰি এই দলটোৱে দেশলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি গভীৰ আস্থা প্ৰকাশ কৰে। তেওঁ কৈছে যে অলিম্পিক কেৱল জিকিবৰ বাবেই নহয় শিকিবৰ বাবেও এখন বৃহৎ মঞ্চ। সকলো অজুহাত তথা অভিযোগ আতৰাই ৰাখি আগবাঢ়ি যাবলৈ আৰু জয়ী হ'বলৈ দৃঢ় সংকল্প থাকিব লাগে বুলি উল্লেখ কৰি ক্ৰীড়াৰ ক্ষেত্ৰখনত অনুশীলন, সময়ানুবৰ্তিতা আৰু ভাল টোপনিৰ ওপৰতো গুৰুত্ব দিবলৈ শ্ৰীমোদীয়ে আহ্বান জনায়। তেওঁ কয় যে অলিম্পিক দক্ষতাৰ খেল। সেয়ে প্ৰতিভা, অনুশীলন আৰু সময়ানুবৰ্তিতাৰ ওপৰত বিশ্বাস ৰখাৰ লগতে বিজয়ৰ বাবে মনোযোগ আৰু ইতিবাচক দৃষ্টিভংগী অতি গুৰুত্বপূৰ্ণ। দেশৰ খেলুৱৈসকলে এইবাৰ পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে খেলুৱৈসকলৰ কঠোৰ পৰিশ্ৰমৰ প্ৰশংসা কৰি দেশৰ বাবে কাম কৰাৰ এয়া সুবৰ্ণ সুযোগ বুলি খেলুৱৈসকলক উৎসাহ প্ৰদান কৰে।

শ্ৰীমোদীয়ে কয় যে ভাৰতে ২০৩৬ চনৰ অলিম্পিক আয়োজন কৰিব বুলি আশা কৰিছে আৰু এই দিশত বিশেষকৈ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত নিৰন্তৰ প্ৰচেষ্টা চলাই থকা হৈছে। ইয়াৰ পূৰ্বে সামাজিক মাধ্যমৰ এটা পষ্টত শ্ৰীমোদীয়ে ভাৰতীয় খেলুৱৈসকলে তেওঁলোকৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰি দেশক গৌৰৱান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে, খেলুৱৈসকলৰ জীৱন যাত্ৰা আৰু সফলতাই ১৪০ কোটি ভাৰতীয়ক আশা প্ৰদান কৰে।

০০০০

ওড়িশাৰ পুৰীত প্ৰভু জগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰা বিশ্বপ্ৰসিদ্ধ ৰথ যাত্ৰাৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অহা দেওবাৰে আৰম্ভ হ'বলগীয়া এই ব্যাপক বাৰ্ষিক উৎসৱ নিয়াৰিকৈ আৰু সফলতাৰে সম্পন্ন কৰাৰ বাবে নিৰীক্ষণ অন্তিম পৰ্যায়ত উপনীত হৈছে। দেওবাৰে উদ্‌যাপন হ'বলগীয়া উৎসৱৰ মূল কাৰ্যসূচী নৱযৌৱন দৰ্শন, নেত্ৰ উৎসৱ, গুণ্ডীচা যাত্ৰাৰ সকলো নীতি-নিয়ম সময়মতে সফলতাৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত সকলো পক্ষকে সহযোগিতা আগবঢ়াবলৈ শ্ৰীজগন্নাথ মন্দিৰ প্ৰশাসনে আহ্বান জনাইছে। ওড়িশা চৰকাৰে এই উপলক্ষে অহা ৭ আৰু ৮ জুলাইত ৰাজ্যখনত দুদিনীয়া বন্ধ ঘোষণা কৰিছে। উল্লেখযোগ্য যে

৫৩ বছৰৰ পাছত এই ৰথ যাত্ৰা দুদিনীয়া কাৰ্যসূচীৰে পালন কৰাৰ বাবে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰেও ৰাজ্যপাল ৰঘুবৰ দাস, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝী আৰু অনান্য প্ৰতিনিধিসকলৰ সৈতে এইবাৰ ৰথযাত্ৰাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰথযাত্ৰাৰ সময়ছোৱাত কোনো লোককে মন্দিৰত প্ৰবেশৰ অনুমতি নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰশাসনে ৰথযাত্ৰাৰ সময়ত শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ লগতে মহিলাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে ভাৰতীয়  ৰে'ল বিভাগে ৰথযাত্ৰা উপলক্ষে পুৰী ভ্ৰমণৰ উদ্দেশ্যে ৩১৫খন বিশেষ ৰে'ল চলাচলৰ বিষয়ে ঘোষণা কৰিছে।

০০০০

সমাপ্ত